**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাত ৬০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। আন্দামান সাগৰ প্ৰাকৃতিক গেছেৰে সমৃদ্ধ বুলি থকা দীৰ্ঘদিনীয়া বিশ্বাসক নিশ্চিত কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে  আন্দামান অববাহিকাত প্ৰাকৃতিক গেছৰ সন্ধান পোৱাৰ কথা ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২১ সংখ্যক কিস্তি মুকলি কৰি কালি ২৭ লাখৰো অধিক কৃষকলৈ ধন হস্তান্তৰ কৰে।

৪। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত আজি দ্বাদশ বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপ ২০২৫ আৰম্ভ হ'ব।*আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক নাটকীয়ভাৱে ছুপাৰ অভাৰত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এদিনীয়া কাৰ্যসূচীৰে ওড়িশা ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ঝাৰচুগুড়াৰ পৰা ৬০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত দূৰ সংযোগ, ৰে'লৱে, উচ্চ শিক্ষা, স্বাস্থ্য, দক্ষতা বিকাশ, গ্ৰাম্য গৃহনিৰ্মাণ প্ৰকল্পকে ধৰি আন বহুতো প্ৰকল্প আছে। শ্ৰী মোদীয়ে এখন জনসভাতো অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ৩৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে স্বদেশী প্ৰযুক্তিৰে নিৰ্মিত  ৯৭ হাজাৰ ৫০০ টা ফ'ৰ জি ম'বাইল টাৱাৰ উদ্বোধন কৰিব। সৌৰশক্তিৰ দ্বাৰা চালিত এই ম'বাইল টাৱাৰসমূহ বহনক্ষম আন্তঃগাঁথনিৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। শ্ৰী মোদীয়ে যোগাযোগ আৰু আঞ্চলিক বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে কেইবাটাও ৰে'ল প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। তেওঁ লগতে ওড়িশাৰ বেৰহামপুৰ আৰু চুড়াতৰ উধনাৰ মাজত এখন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে তিৰুপতি, পালাক্কড়, ভিলাই, জম্মু, ধাড়ৱাদ, যোধপুৰ, পাতনা আৰু ইন্দোৰত থকা ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিস্থানসমূহৰ সম্প্ৰসাৰণৰ বাবে আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে সমগ্ৰ দেশৰে ২৭৫ খন ৰাজ্যিক

অভিযান্ত্রিক আৰু পলিটেকনিক প্ৰতিষ্ঠানৰ গুণগত মান, গৱেষণা আৰু উদ্ভাৱনৰ বিকাশৰ লক্ষ্যৰে এখন বিশেষ আঁচনি মুকলি কৰিব।

০০০০০

আন্দামান সাগৰ প্ৰাকৃতিক গেছেৰে সমৃদ্ধ বুলি থকা দীৰ্ঘদিনীয়া বিশ্বাসক নিশ্চিত কৰি কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে  আন্দামান অববাহিকাত প্ৰাকৃতিক গেছৰ সন্ধান পোৱাৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত যোৱা নিশা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে আন্দামান সাগৰত প্ৰাকৃতিক গেছৰ বিপুল ভাণ্ডাৰ আছে। শ্ৰী পুৰীয়ে এই বিষয়ত সন্তুষ্টি প্ৰকাশ কৰি কয়, যে আন্দামান দ্বীপৰ পূব উপকূলৰ পৰা প্ৰায় ১৭ কিলোমিটাৰ দূৰত্বত থকা শ্ৰীবিজয়পুৰমৰ দুই নম্বৰ খাদত ২৯৫ মিটাৰ গভীৰত প্ৰাকৃতিক গেছৰ অৱস্থিতি ধৰা পৰিছে। তেওঁ লগতে কয়, যে এই গেছৰ নমুনা কাকিনাডাত পৰীক্ষণৰ পাছত ইয়াত ৮৭ শতাংশ মিথেন থকাৰ কথা জানিব পৰা গৈছে। শ্ৰী পুৰীয়ে কয়, যে বিগত মাহত স্বাধীনতা দিৱসৰ দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা গভীৰ পানী অভিযানৰ অধীনত নতুন আৱিস্কাৰ তথা হাইড্ৰ'কাৰ্বনৰ ভাণ্ডাৰৰ পূৰ্ণ ব্যৱহাৰৰ বাবে বহুসংখ্যক গভীৰ পানীৰ মাজৰ খাদত অন্বেষণ চলোৱা হৈছিল। প্ৰাকৃতিক গেছৰ এই নতুন সন্ধান অমৃত কালত ভাৰতৰ যাত্ৰাত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি শ্ৰী পুৰীয়ে মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২১ সংখ্যক কিস্তি মুকলি কৰে। ইয়াৰ জৰিয়তে ২৭ লাখৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ৫৪০ কোটিৰো অধিক টকা হস্তান্তৰ কৰা হয়। ইয়াৰ ভিতৰত ২৭০ হাজাৰ মহিলা কৃষক আছে। শ্ৰী চৌহানে কয়, যে এই কিস্তিৰ ধনে অলপতে বান আৰু ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত হোৱা হিমাচল প্ৰদেশ, পাঞ্জাৱ আৰু উত্তৰাখণ্ডৰ কৃষকসকলক বিশেষভাৱে উপকৃত কৰিব। তেওঁ লগতে কয় যে এই ধনৰাশিয়ে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কৃষকসকলক সাময়িকভাৱে সকাহ প্ৰদান কৰিব।  শ্ৰীচৌহানে কয়, যে ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ কৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত  হিমাচল প্ৰদেশ, পঞ্জাব আৰু উত্তৰাখণ্ডৰ কৃষকৰ বাবে এতিয়ালৈকে ১৩ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এলাহবাদ উচ্চ ন্যায়ালয়ত ২৪ গৰাকী ন্যায়াধীশক নিযুক্তি দিছে। ইয়াৰ ভিতৰত জ্যেষ্ঠ অধিবক্তা বিবেক চৰণ, গৰিমা প্ৰসাদ আৰু সুধাংশু শৰ্মা আছে। তদুপৰি হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ত দুগৰাকী ন্যায়াধীশ আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ত এগৰাকী স্থায়ী ন্যায়াধীশ তথা তিনিগৰাকী অতিৰিক্ত ন্যায়াধীশক নিযুক্তি দিয়া হৈছে। দেশৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শ অনুসৰি এই নিযুক্তি দিয়া হৈছে।

০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু  জনসাধাৰণে বৰ্তমান জি এছ্ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ্ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

নতুন জি এছ্ টি সংস্কাৰৰ জৰিয়তে চৰকাৰে পৰ্যটন আৰু ৰাজহুৱা পৰিবহন অধিক সুলভ কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে। এই অনুসৰি প্ৰতি নিশা সাত হাজাৰ ৫০০ টকা মূল্যৰ হোটেলৰ কোঠাৰ কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ঘৰুৱা পৰ্যটনৰ প্ৰসাৰ তথা বিদেশৰ পৰা অহা পৰ্যটকসকলৰ সুবিধাৰ্থে আৰু মধ্যবিত্ত শ্ৰেণীৰ সুবিধা হোৱাকৈ এই ব্যৱস্থা কৰা হৈছে। এই কৰ হ্ৰাসে ঐতিহ্য পৰ্যটন, হোম ষ্টে আৰু পৰিৱেশ পৰ্যটনৰ বিকাশত সহায় কৰিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যান মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীত কাৰ্য্যবাহক সমিতিৰ দ্বিতীয়খন বৈঠকত ৰাষ্ট্ৰীয় একক স্বাস্থ্য অভিযান, NOHM ৰ অগ্ৰগতি সন্দৰ্ভত পৰ্য্যালোচনা কৰে। মানুহ, জীৱ-জন্তু, উদ্ভিদ আৰু পৰিৱেশৰ স্বাস্থ্যৰ আন্তঃসম্বন্ধৰ স্বীকৃতিৰ বাবে ৰাষ্ট্ৰীয় একক স্বাস্থ্য অভিযানত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে সমন্বিত প্ৰচেষ্টাৰে কাম কৰিলেহে ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ লগতে প্ৰতিৰোধ কৰিব পৰা যাব। তেওঁ লগতে কয় যে প্ৰকৃত ফল লাভ কৰিবলৈ NOHM ৰ মাধ্যমেৰে আটাইবোৰ বিভাগৰ সমন্বিত প্ৰচেষ্টাৰ দৰকাৰ আছে। তেওঁ অংশগ্ৰহণকাৰীসকলক এই সমন্বয়ক আৰু অধিক শক্তিশালী আৰু ৰাজ্যসমূহত NOHM পদক্ষেপ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত সমৰ্থন কৰিবলৈ আহ্বান জনায়।

০০০০০

শিক্ষা মন্ত্ৰ্যালয়ে এন চি ই আৰ টিক বিভিন্ন শিক্ষা পৰিষদৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰমাণপত্ৰৰ সমতুল্য মান প্ৰদানৰ দায়িত্ব অৰ্পণ কৰিছে। চৰকাৰী সুত্ৰই জনোৱা অনুসৰি কেন্দ্ৰীয় চৰকাৰ, ৰ-জ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ অধীনৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি আৰু কৰ্মসংস্থাপনৰ সুবিধা হোৱাকৈ এই নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই নতুন অধিসূচনা যোৱা ৬ ছেপ্তেম্বৰত জাৰী কৰা হৈছে।

০০০০০

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত আজি দ্বাদশ বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপ ২০২৫ আৰম্ভ হ'ব। ৯ দিনীয়াকৈ হ'বলগীয়া এই প্ৰতিযোগিতাত মুঠ ১৮৬ টা শাখাত খেল অনুষ্ঠিত হ'ব। পুৰুষৰ বাবে ১০১টা, মহিলাৰ বাবে ৮৪টা আৰু এটা মিক্সড শাখাত খেল অনুষ্ঠিত হ'ব। এইবাৰৰ বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপত ১০০ খন দেশৰ এহেজাৰৰো অধিক এথলিটে অংশগ্ৰহণ কৰিব। ভাৰতে প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাত চুমিত আণ্টিল, নৱদ্বীপ সিং, প্ৰিতি পাল, প্ৰবীন কুমাৰ আৰু ধৰমবীৰকে ধৰি মুঠ ৭০ গৰাকী পেৰা এথলিটে ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক নাটকীয়ভাৱে ছুপাৰ অভাৰত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাখনৰ ছখন খেলতে অপ্ৰতিদ্বন্দ্বি হৈ ৰয়। ভাৰতে ইতিমধ্যে এছিয়া কাপৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে শ্ৰীলংকাই ছুপাৰ ফ'ৰৰ দুয়োখন খেলতে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। কালি নিশা খেলখন প্ৰথমে ড্ৰ হোৱাৰ পাছত ছুপাৰ অভাৰত খেলখন এই বছৰৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আটাইতকৈ ৰোমাঞ্চকৰ খেল হৈ পৰে। ছুপাৰ অভাৰত ভাৰতৰ অৰ্শদীপ সিঙে দুটা উইকেট দখল কৰি শ্ৰীলংকাক দুই ৰান লোৱাত বাধা দিয়ে। ইপিনে খেলখনত জয়ৰ বাবে তিনি ৰানৰ প্ৰয়োজন হোৱা ভাৰতে ছুপাৰ অভাৰৰ প্ৰথমটো বলতে বিজয় সুনিশ্চিত কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২০২ ৰান কৰে। অভিষেক শৰ্মাই সৰ্বাধিক ৬১ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাৰ পাথুম নিশাংকৰ শতকৰ সহায়ত খেলখন ড্ৰ হয়। নিশাংকক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ভাৰত কাইলৈ প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত